অসম

মাজুলীত চলিব উত্তৰ-পূবৰ প্ৰথমখন দুমহলীয়া পৰ্যটক বাছ ‘পুষ্পক’

মাজুলীৰ পৰ্যটনক নতুন মাত্ৰা দিবলৈ আউনীআটী সত্ৰৰ উদ্যোগত লণ্ডনৰ আৰ্হিত অনা হ’ল উত্তৰ-পূবৰ প্ৰথমখন দুমহলীয়া বাছ ‘পুষ্পক’।

প্ৰকাশ: ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০২



double-decker tourist bus Pushpak

২২ নৱেম্বৰ , ২০২৬

লণ্ডনত নহয়, এইবাৰ মাজুলীতো চলিব দুমহলীয়া বাছ ‘পুষ্পক’ ।মাজুলীৰ পৰ্যটন ক্ষেত্ৰখনক নতুন মাত্ৰা প্ৰদানৰ লক্ষ্য।

মাজুলীৰ পৰ্যটন ক্ষেত্ৰলৈ আহিছে এক নতুন সংযোজন। নদীদ্বীপ মাজুলীত চলিব উত্তৰ-পূব ভাৰতৰ প্ৰথমখন

দুমহলীয়া পর্যটক বাছ। লণ্ডনৰ আৰ্হিত নিৰ্মাণ কৰা এই বিশেষ বাছখনৰ নাম ৰখা হৈছে ‘পুষ্পক’। ঐতিহাসিক শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ উদ্যোগত বাছখন মাজুলীলৈ অনা হৈছে।

বাছখনৰ সন্দৰ্ভত শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড□ পীতাম্বৰ দেৱ গোস্বামীয়ে কয়, “লণ্ডনতে নহয়, মাজুলীতো চলিব দুমহলীয়া বাছ।” লণ্ডন ভ্ৰমণৰ সময়ত দুমহলীয়া পর্যটক বাছত ভ্ৰমণ কৰাৰ অভিজ্ঞতাৰ পৰাই অনুপ্ৰাণিত হৈ সত্ৰাধিকাৰগৰাকীয়ে মাজুলীৰ পর্যটন ক্ষেত্ৰখনক এক নতুন মাত্ৰা দিয়াৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰে।

কি কি বিশেষত্ব আছে ‘পুষ্পক’ বাছখনৰ?

পঞ্জাবৰ জলন্ধৰত বিশেষভাৱে নিৰ্মাণ কৰা মেৰুণ ৰঙৰ বাছখনৰ উচ্চতা প্ৰায় ১৪ ফুট ৬ ইঞ্চি। সম্পূৰ্ণ শীত-তাপ নিয়ন্ত্ৰিত এই বাছখনত মুঠ ৪০খন আসনৰ ব্যৱস্থা আছে। ইয়াৰ উপৰি যাত্ৰীসকলে চাৰিওফালৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিব পৰাকৈ বাছখনত ডাঙৰ ডাঙৰ খিৰিকী লগোৱা হৈছে।

মাজুলীৰ ৰাস মহোৎসৱৰ প্ৰাকক্ষণত বাছখন জলন্ধৰৰ পৰা আহি দ্বীপটোত উপস্থিত হৈছে। এই বাছৰ জৰিয়তে দেশী-বিদেশী পর্যটক তথা ভক্তসকলে মাজুলীৰ ঐতিহাসিক সত্ৰসমূহ দৰ্শন কৰাৰ লগতে দ্বীপ জিলাখনৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক সৌন্দৰ্য উপভোগ কৰিব পাৰিব।

সেৱা শুভাৰম্ভ আৰু টিকটৰ ব্যৱস্থা

জানিব পৰা মতে, বাছখনৰ পর্যটক সেৱা ২৪ নৱেম্বৰৰ পৰা আৰম্ভ হোৱাৰ কথা আৰু ২৫ নৱেম্বৰত আউনীআটী সত্ৰৰ পৰা আনুষ্ঠানিকভাৱে সেৱা মুকলি কৰা হ’ব।

অৱশ্যে বাছখনৰ নিৰ্দিষ্ট ভ্ৰমণ পথ, ষ্টপেজ, সময়সূচী আৰু টিকটৰ নিৰিখৰ বিষয়ে এতিয়ালৈকে আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হোৱা নাই। এই সন্দৰ্ভত আউনীআটী সত্ৰ কৰ্তৃপক্ষ অথবা জিলা প্ৰশাসনৰ আনুষ্ঠানিক ঘোষণালৈ অপেক্ষা কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5220/majuli-first-double-decker-tourist-bus-pushpak